**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-01-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

১। ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৰেশনত অসমৰ ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

২। কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি নিয়ন্ত্ৰণত। মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বিটিচি প্ৰধান হাগ্ৰামাৰ মহিলাৰীৰ পৰিস্থিতিৰ পৰ্যালোচনা।

৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে চত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন প্ৰতিষ্ঠা।

৪। ওদালগুৰি জিলাৰ ভেৰগাঁও সমষ্টিৰ ২৭ হাজাৰ ৫৫৩ গৰাকী মহিলাৰ মাজত মুখ্যমন্ত্ৰী উদ্যমিতা পুঁজিৰ চেক বিতৰণ। *আৰু*

৫। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা চূড়ান্ত ৰাউণ্ডৰ এখন খেলত আজি তামিলনাডুৰ হাতত অসম পৰাস্ত।

ooooo

অসমে ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৰেশনত ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ৫ বছৰত চাহ, কৃষি, নিৰ্মাণ, খনি আৰু খনিজাত পদাৰ্থ আৰু সেৱাখণ্ডৰ ভাল প্ৰদৰ্শনৰ ফলত ৰাজ্যখনৰ বিকাশ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ অধিক হৈছে। অসম মাত্ৰ এখন ৰাজ্য নহয় বৰং উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ সমষ্টি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে চেমিকনডাক্টৰ খণ্ডক নতুন যুগৰ উদ্যোগ বুলি অভিহিত কৰে।

অধিবেশনত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ পূৰ্বে বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়। গোটটোৱে বায়'চাৰ, পুনৰ উৎপাদনশীল কৃষি আৰু বনানীকৰণৰ জৰিয়তে এশ কোটি টন কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ লক্ষ্যৰে কাম কৰি আছে। ৰাজ্য চৰকাৰে গোটটোক অসমত অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ কথা চিন্তা চৰ্চা কৰি থকা বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে।

ooooo

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰণলৈ আহিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰি অহা নাই। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ো আজি জিলাখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ভুৱা তথ্য আৰু উৰা বাতৰি প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক প্ৰশাসন আৰু সুৰক্ষা বাহিনীক পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায়।

**বাইট (হাগ্ৰামা মহিলাৰী)**

আস্থা গঢ়াৰ আৰু সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি পুৱাৰ ভাগত কাৰিগাঁও আৰক্ষী চকীৰ অধীনৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশৰ স্পৰ্শকাতৰ এলেকাসমূহত সেনা, দ্ৰুত কাৰ্যবাহিনী, চি আৰ পি এফ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে যৌথভাৱে ফ্লেগমাৰ্চ কৰে। জিলা আয়ুক্তই অঞ্চলটোৰ সামগ্ৰিক পৰিস্থিতি ক্ৰমাৎ উন্নত হ'ব ধৰিছে। তেওঁ কয়, যে জিলাখনত সৃষ্টি হোৱা শেহতীয়া অশান্ত পৰিস্থিতিৰ বলি হোৱা লোকসকলৰ বাবে জিলাখনত স্থাপন হোৱা দুটা সাহায্য শিবিৰত এহেজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে। অঞ্চলটোত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে আজি বিয়লি তিনি বজাত বিভিন্ন সংগঠনৰ নেতা, ভিন ভিন সম্প্ৰদায়ৰ নেতৃস্থানীয় লোক আৰু সংশ্লিষ্ট পক্ষসমূহৰ এখন বৈঠকৰ আহ্বান কৰা হয়। কৰ্তৃপক্ষই সকলোকে ধৈৰ্য্য ধৰি থাকিবলৈ, প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আৰু উৰা বাতৰি বিয়পোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বি টি এ ডিৰ আৰক্ষীৰ মহা পৰিদৰ্শক বিবেক ৰাজ সিঙেও জনসাধাৰণক উৰা বাতৰিত পতিয়ন নাযাবলৈ আহ্বান জনাইছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষী মহা পৰিদৰ্শকগৰাকীয়ে কয়, যে অঞ্চলটোত অলপতে সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত বৰ্তমানলৈকে ১৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকক আজি ন্যায়ালয়ত হাজিৰ কৰা হ'ব। তেওঁ লগতে কালিৰ ঘটনা সন্দৰ্ভত তিনিজন লোকক গ্ৰেপ্তাৰ কৰা বুলি জানিবলৈ দিয়ে।

জিলাখনৰ স্পৰ্শকাতৰ এলেকাসমূহত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন, কৰ্মৰাজি, আধ্যাত্মিক দৰ্শন, সাহিত্য আৰু সাংস্কৃতিক অৱদানৰ চৰ্চা, অধ্যয়ন আৰু গৱেষণাৰ বাবে চত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ত আজি শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন প্ৰতিষ্ঠা কৰা হয়। চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ পৰিকল্পনাত আৰু পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতিত এই আসন প্ৰতিষ্ঠা কৰা হৈছে। ৰাজ্যপাল ৰমেন ডেকা, চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ সাই আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ নেতা কৃষ্ণ গোলাপৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই অনুষ্ঠান সম্পন্ন হয়। ৰাজ্যপাল ৰমেন ডেকাই এই দিনটো ঐতিহাসিক বুলি অভিহিত কৰি কয়, যে ইয়াৰ ফলত দেশৰ অন্যান্য প্ৰান্তৰ লোকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।

**বাইট (ৰমেন ডেকা)**

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত অংশ ল'বলগীয়া জনসভাৰ প্ৰস্তুতিৰ আজি ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰীয়ে পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনা জনসভাত অংশ লৈ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আজি মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন আৰু পিযুষ  হাজৰিকাই ডিব্ৰুগড়ত এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে জিলাখনৰ বিধায়কসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত মন্ত্ৰী শ্ৰীহাজৰিকাই সাংবাদিকৰ আগত এইদৰে কয় ঃ

বাইট

০০০০০

ওদালগুৰি জিলাৰ ভেৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত আত্মসহায়ক গোটৰ ২৭ হাজাৰ ৫৫৩ গৰাকী সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, অসম বিধানসভাৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়ো উপস্থিত থাকে। শ্ৰীমল্লবৰুৱাই তেওঁৰ ভাষণত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যৰ মহিলাসকলক আত্মনিৰ্ভৰ কৰি জীৱন-ধাৰণৰ মান উন্নত কৰাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰ তথা বিটিচি চৰকাৰৰ যৌথ প্ৰচেষ্টাত শীঘ্ৰেই বড়োভূমিৰ মহিলাসকল স্বাৱলম্বী হৈ গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ পথ প্ৰশস্ত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাত তিনিখন শিক্ষানুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ আমজোঙাৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া জনজাতি ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে নতুনকৈ স্বায়ত্তশাসিত মৰ্যাদা লাভ কৰা দুধনৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰি মহাবিদ্যালয়খনতো এটা জনজাতি ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। ডাঃ পেগুৱে ১৯২৫ চনতে স্থাপিত জিলাখনৰ নিচানগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়—

**বাইট (ৰণোজ পেগু)**

০০০০০

জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা শিখা শৰ্মাক কামৰূপ মহানগৰ জিলাৰ মুখ্য নায়িক দণ্ডাধীশৰ আদালতে আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। দুদিনৰ বাবে অপৰাধ শাখাৰ জিম্মাত থকা শিখা শৰ্মাক আজি বিয়লি আদালতত হাজিৰ কৰোৱা হয় আৰু পাছত তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে সামাজিক মাধ্যমত জুবিন গাৰ্গ সন্দৰ্ভত কেতবোৰ আপত্তিজনক মন্তব্য কৰাৰ পৰিপ্ৰেক্ষিতত শিখা শৰ্মাৰ বিৰুদ্ধে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে আৰক্ষীৰ অপৰাধ শাখাত এজাহাৰ

দাখিল কৰিছিল। অপৰাধ শাখাই এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত যোৱা সোমবাৰে শিখা শৰ্মাক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনোৱা মতে কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০

অসম চৰকাৰে ৰাজ্যখনৰ তিনিখন জিলাত নতুন তিনিটা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় মুকলিত অনুমোদন জনাইছে। ৰাজ্যপালে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি তামুলপুৰ, বজালী আৰু পশ্চিম কাৰ্বি আংলং জিলাত এই নতুন পৰিবহণ বিষয়াৰ কাৰ্যালয়কেইটাৰ কাম-কাজ আৰম্ভ হ'ব। সেই অনুসৰি তামুলপুৰ জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনৰ বাবে AS-35, বজালী জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনসমূহৰ বাবে AS-36 আৰু পশ্চিম কাৰ্বি আংলং জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনসমূহৰ বাবে AS-37 শৃংখলা আৱণ্টন দিয়া হৈছে। ইয়াকে ধৰি ৰাজ্যখনত মুঠ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সংখ্যা ৩৫ লৈ বৃদ্ধি পালে। উল্লেখযোগ্য যে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ যানবাহনসমূহক AS-20 আৰু অসম আৰক্ষীৰ যান-বাহনসমূহক AS-30 শৃংখলাত পঞ্জীয়ন কৰা হয়।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত অনুষ্ঠিত হৈছে। ঢকুৱাখনাত অনুষ্ঠিত প্ৰথমখন খেলত ৰাজস্থানে উত্তৰাখণ্ডক ৩-০ গলত পৰাস্ত কৰে। বিয়লিৰ ভাগত একেখন ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত পশ্চিমবংগই - নাগালেণ্ডক ৪-০ গলত পৰাস্ত কৰে। চিলাপথাৰত অনুষ্ঠিত খেলত আজি অসম - তামিলনাডুৰ হাতত ১-০ গলত পৰাজিত হয়। চিলাপথাৰ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা,অসম ফুটবল সন্থাৰ সভাপতি তথা ঢকুৱাখনা সমষ্টিৰ বিধায়ক নব দলে প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ বাৰেৰহনীয়া নৃত্যানুষ্ঠানে বৰ্ণিল পৰিবেশৰ সৃষ্টি কৰে।

৮ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। দেশৰ কেইবাটাও স্থানত অনুষ্ঠিত প্ৰতিযোগিতাৰ লীগপৰ্যায়ৰ বিজয়ী মুঠ ৯ টা দলৰ লগতে যোৱাবাৰৰ ছেম্পিয়ন, বিজিত দল, আৰু আয়োজন ৰাজ্য অসমে পোনপটীয়াকৈ মূল ৰাউণ্ডত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে। অংশগ্ৰহণকাৰী দলসমূহক ছটা ছটাকৈ দুটা গোটত ভাগ কৰা হৈছে। পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

শিৱসাগৰ জিলাৰ দিচাংমুখৰ নিবাসী মুক্তিযুঁজাৰু খনিৰাম মিলিৰ আজি নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৯ বছৰ। দেশৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা খনিৰাম মিলিয়ে আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰ আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ সৈতে জড়িত আছিল। মুক্তিযুঁজাৰুৰ পেন্সন লাভ কৰা খনিৰাম মিলিৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব।

০০০০০

ডিমা হাচাওৰ এগৰাকী সংবাদকৰ্মী, সাপ্তাহিক ডিমাচা কাকত হাফলং খুৰাঙৰ স্বত্বাধিকাৰী সম্বুধন ফংলোৰ আজি হাফলঙৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৩২ বছৰ। জিলাখনৰ চেংগ্যা সম্বুধন ৰাজি চৰকাৰী বাগান নিবাসী ফংলোৱে ডিমাচা ভাষাত সাংবাদিকতাৰ প্ৰসাৰ তথা তৃণমূল পৰ্যায়ৰ সমস্যাসমূহ দাঙি ধৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ